**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-FEB-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক আলোচনা অব্যাহত ৰাখিছে। ৰাজনৈতিক দলসমূহৰ শীৰ্ষ নেতৃত্বৰ ৰাজ্যখনলৈ আগমনে তৎপৰতা বৃদ্ধি কৰিছে। আজি কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী অসমলৈ আহিব। বিজেপিৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও আজি অসম ভ্ৰমণ কৰিব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকী দলীয় কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই সন্দৰ্ভত দলৰ মুখপাত্ৰ কল্যান গগৈয়ে এখন সংবাদমেলত কয় যে ৰাষ্ট্ৰীয় সভাপতিগৰাকী আজি দিনৰ এক বজাত ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰত উপস্থিত হ'ব। ইয়াৰ পৰা তেওঁ খনিকৰ চাৰিআলিলৈ যাব। তেওঁ মানকটা খেলপথাৰত ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা কাৰ্যকৰ্তা সন্মিলনত ভাগ ল'ব। পাছত তেওঁ ডিব্ৰুগড় জিলা প্ৰেক্ষাগৃহত হ'বলগীয়া প্ৰবুদ্ধ নাগৰিক সন্মিলনত অংশগ্ৰহণ কৰিব। তেওঁ সন্ধিয়া সাত বজাত দলৰ প্ৰভাৰী, সহ-প্ৰভাৰী তথা কৰ্মীসকলৰ সৈতে সাংগঠনিক বৈঠকত মিলিত হ'ব। ডিব্ৰুগড়ত দলীয় সভাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে শীৰ্ষ নেতাসকলে প্ৰস্তুতি পৰিদৰ্শন কৰিছে। কালি মন্ত্ৰী বিমল বৰা আৰু প্ৰশান্ত ফুকনে এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। শিৱসাগৰ জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি ৰাষ্ট্ৰীয় সভাপতিগৰাকীৰ এই ভ্ৰমণ সন্দৰ্ভত জিলা সভাপতি বিতোপন ৰাইদঙীয়া আৰু অসম প্ৰদেশ বিজেপিৰ মুখপাত্ৰ অংকিতা দত্তই সংবাদমেলত অৱগত কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও নেতা তথা সদস্যই দলীয় দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ লগতে আন দলতো যোগদান কৰা পৰিলক্ষিত হৈছে। অসম ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ নেতা ভূপেন বৰাই দলটোৰ পৰা পদত্যাগ কৰিছে আৰু অহা ২২ ফেব্ৰুৱাৰীত বিজেপিত যোগ দিব বুলি প্ৰকাশ কৰিছে।

০০০০০০

মিছন বসুন্ধৰা দ্বিতীয় পৰ্যায়ৰ অধীনত ৰাজ্যৰ ১০ খন জিলাৰ ৩১৯টা ভূমিহীন পৰিয়ালক গৃহ নিৰ্মাণৰ বাবে চৰকাৰী খাচ আৰু চিলিং উদ্বৃত্ত ভূমি বন্দোৱস্তীত অসম মন্ত্ৰীসভাই অনুমোদন জনাইছে। দিছপুৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্য চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় বৰ্গৰ চাকৰিৰ ক্ষেত্ৰত চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ বাবে ৩ শতাংশ পদ সংৰক্ষণত কালি মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাই বিদ্যালয়ৰ শিক্ষকসকলৰ বাবে আৰ্জিত ছুটী বছৰি ১৫ দিনলৈ বৃদ্ধিত অনুমোদন জনায়। ধেমাজি জিলাত ক্ৰীড়া আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে মন্ত্ৰীসভাই জিলাখনৰ চৰকাৰী ভূমি অসম ক্ৰিকেট সন্থাক প্ৰদানৰ বাবে অনুমোদন জনায়। যোৰহাটৰ বৰভেটিত ঐতিহ্য আন্তঃগাঁথনি উন্নয়নৰ বাবে সংহত প্ৰকল্প নিৰ্মাণ কৰিবলৈ কেবিনেটে ১৯ কোটি ৫৯ লাখ টকাৰ আৱণ্টনত অনুমোদন জনাইছে। এই প্ৰকল্পত নামঘৰ আন্তঃগাঁথনি আৰু এলেকা উন্নয়নৰ কাম-কাজ সামৰি লোৱা হৈছে। তদুপৰি মহিলা উদ্যমিতা অভিযানৰ অধীনত অতিৰিক্ত এক লাখ ৭ হাজাৰ ৫৩২ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক প্ৰাৰম্ভিক মূলধন মোকলাই দিয়াৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন জনায়।

কাৰ্বি আংলং জিলাৰ লাংৰ'কুত নিৰ্মাণ হ'বলগীয়া সৈনিক স্কুলৰ বাবে আৱণ্টন ১০০ কোটিৰ পৰা ৩৩৫ কোটি ৮৭ লাখ টকালৈ বৃদ্ধিৰ বাবে কেবিনেটে অনুমোদন জনায়।

০০০০০০

অৰুণোদয় হিতাধিকাৰীসকলে অহা ১০ মাৰ্চত আঁচনিৰ ধন লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অহা ২০ ফেব্ৰুৱাৰীত হিতাধিকাৰীসকলে আঁচনিৰ ধন লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে পূৰ্বতে প্ৰকাশ কৰিছিল যদিও ২০ ফেব্ৰুৱাৰীৰ পৰিৱৰ্তে ১০ মাৰ্চত এই ধনৰাশি প্ৰদান কৰা হ'ব বুলি কালি তেওঁ সংবাদমাধ্যমৰ আগত সদৰি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এইবাৰ অৰুণোদয়ৰ ধন এহেজাৰ টকা বৃদ্ধি কৰা হৈছে। অহা ১০ মাৰ্চত হিতাধিকাৰীসকলে ৯ হাজাৰ টকা লাভ কৰিব।

**বাইট (চি এম)**

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনজাতীয় লোকসকলে মাহজোৰা প্ৰস্তুতিৰ অন্তত কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং পালন কৰিব। এই উৎসৱক লৈ মিচিং বসতিপ্ৰধান অঞ্চলসমূহত উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে প্ৰতিবছৰে এই উৎসৱ পালন কৰি আহিছে। আলি মানে হৈছে শস্যৰ বীজ, আঃয়েৰ অৰ্থ হৈছে গা-গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং শব্দৰ অৰ্থ হৈছে ৰোপণ কাৰ্য। এই কৃষিভিত্তিক উৎসৱত বীজ ৰোপণ কাৰ্য আৰম্ভ কৰাৰ লগতে এই উৎসৱৰ সৈতে জড়িত গীত-নৃত্যসমূহে মিচিংসকলৰ ঐতিহ্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সদৌ গুৱাহাটী মিচিং কেবাঙৰ সহযোগত আজি পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আলি-আয়ে-লৃগাঙৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কৃষি আৰু উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক অতুল বৰা, ভূবন পেগু, নৱ কুমাৰ দলে, ভূবন গাম আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়াই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আলি-আয়ে-লৃগাং উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ শস্য সিঁচাৰ এই উৎসৱে শ্ৰমজীৱি কৃষক সমাজৰ লগতে মানৱ জাতিলৈ সমৃদ্ধিৰ বঁটা কঢ়িয়াই অনাৰ আশা প্ৰকাশ কৰিছে।

মাজুলীৰ বিভিন্ন স্থানত আলি-আয়ে-লৃগাঙৰ আয়োজন কৰা হৈছে। আলি-আয়ে-লৃগাং উপলক্ষে ৰাজ্যৰ ১০ খন জিলাত চৰকাৰী বন্ধ ঘোষণা কৰা হৈছে।

০০০০০০

**সমাপ্ত**